# REGIONAL NEWS UNIT
# AKASHVANI GUWAHATI
# 0000000000

**Date :  13-08-2025**
**Time : 18-00 Hrs**

## ASSAMESE  EVENING BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::**

যোৱা ২ আগষ্টৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত ৰাজ্যৰ বিভিন্ন জিলাত প্ৰশাসনে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে।  সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ৰাজ্য চৰকাৰৰ **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ত্ৰিৰংগ সমলয় কাৰ্যসূচী, সমদল আদিৰ আয়োজন কৰিছে। গোৱালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত আজি বিভিন্ন চৰকাৰী বিভাগত **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

হোজাই জিলা প্ৰশাসনৰ উদ্যোগত স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি আজি ত্ৰিৰংগ সমদল উলিওৱা হয়।  **হৰ ঘৰ তিৰংগা** সমাৰেশৰ সময়ত হোজাই, ডবকা, লামডিং আৰু লংকা পৌৰসভাই আজি হোজাই নগৰত সজাগতা সভা অনুষ্ঠিত কৰে। এই কাৰ্যসূচীত নগৰখন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিবলৈ আৰু সমাজখনক প্লাষ্টিকমুক্ত কৰিবলৈ আহ্বান জনোৱা হয়। সজাগতা সভা আৰু ত্ৰিৰংগ পতাকা লৈ শোভাযাত্ৰাত চৰকাৰী, বেচৰকাৰী সংস্থাৰ কৰ্মীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু শিৱসাগৰ জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সহযোগত আজি খোজকঢ়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। জ্যেষ্ঠ নাগৰিকৰ মাজত অনুষ্ঠিত এই প্ৰতিযোগিতাখন অতিৰিক্ত জিলা আয়ুক্ত গৌৰী প্ৰিয়া দেউৰীয়ে মুকলি কৰে।

যোৰহাটৰ বিধায়ক হিতেন্দ্ৰৰ নাথ গোস্বামীয়ে আজি যোৰহাট মণ্ডল সমিতিয়ে আয়োজন কৰা **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীত ভাগ লয়। মণ্ডলটোৰ অন্তৰ্গত আটাইকেইখন পঞ্চায়তৰ পৰা অহা কাৰ্যকৰ্তা সকলে দেশপ্ৰেমমূলক শ্ল’গান দি ত্ৰিৰংগ পতাকা লৈ শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। আনহাতে **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ অংশস্বৰূপে যোৰহাট জিলাৰ অন্তৰ্গত বিভিন্ন পানীযোগান আঁচনিসমূহত জলমিত্ৰ আৰু জল ব্যৱহাৰকাৰী সমিতিৰ বিষয়ববীয়াসকলে আজি ছাফাই কাৰ্যসূচী ৰূপায়ণ কৰে।

**হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ অধীনত ডিব্ৰুগড় জিলাত চাইকেল সমদল উলিওৱা হয়। ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা ক্ৰীড়া বিভাগৰ সহযোগত আজি অনুষ্ঠিত এই সমদলত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

মাজুলী জিলা বিজেপিৰ নামনি মাজুলী মণ্ডলৰ কাৰ্যকৰ্তাসকলৰ উদ্যোগত আৰু মহিলা মৰ্চা তথা স্থানীয় ৰাইজৰ সহযোগত আজি **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচী অনুসৰি শতাধিক কৰ্মীয়ে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ শোভাযাত্ৰা কৰে।

০০০০

ৰাজ্যত আজি পুনৰ দুখন সমজিলা আনুষ্ঠানিকভাৱে সংযোজন কৰা হয়। মন্ত্ৰী পীযূষ হাজৰিকাই আজি শোণিতপুৰ জিলাৰ ৰঙাপৰা সমজিলাৰ আয়ুক্ত কাৰ্যালয় উদ্বোধন কৰে। ৰঙাপৰা সমজিলাৰ আয়ুক্তৰ কাৰ্যালয় মুকলি কৰি মন্ত্ৰী শ্ৰীহাজৰিকাই কয়, যে প্ৰশাসনিক সংস্কাৰৰ দিশত সমজিলাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

আনহাতে তিনিচুকীয়া জিলাৰ ডিগবৈ সমজিলাৰ আয়ুক্তৰ কাৰ্যালয়ো আজি মুকলি কৰা হয়। ডিগবৈ সমজিলাৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জনতা ভৱনত চাওতালী  সাহিত্য পৰিষদৰ প্ৰতিনিধিবৰ্গৰ সৈতে বুনিয়াদি স্তৰত চাওতালী ভাষাত শিক্ষাদান সন্দৰ্ভত আলোচনা কৰে। বৈঠকত এশ শতাংশ ছাত্ৰ-ছাত্ৰী থকা ৩৩৭ খন  প্ৰাথমিক  বিদ্যালয়ৰ তালিকা পৰ্যালোচনা কৰি এই শিক্ষানুষ্ঠানসমূহত চাওতালী ভাষাত শিক্ষাদান সুনিশ্চিত কৰিবলৈ উপযুক্ত শিক্ষক-শিক্ষয়িত্ৰীৰ বাচনি, প্ৰশিক্ষণ আৰু আনুসংগিক প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰা হয়। অসম ৰাজ্যিক  পাঠ্যপুথি প্ৰনয়ন আৰু প্ৰকাশন নিগমে ইতিমধ্যে বুনিয়াদি স্তৰৰ শিক্ষাৰ্থীসকলৰ উপযোগীকৈ অলচিকি লিপিত পাঠ্যপুথি প্ৰকাশ কৰিছে।

০০০০

ডিব্ৰুগড় জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ড০ সমীৰণ বৰাই আজি জাননীযোগে বিদ্যালয়সমূহৰ পাঠদান পূৰ্বৰ সময় অনুযায়ী হ'ব বুলি উল্লেখ কৰিছে। উৎকট গৰমৰ বাবে পাঠদানৰ সময় আগুৱাই দিয়া হৈছিল যদিও বৰ্তমান বতৰ স্বাভাৱিক হোৱাত জিলাখনৰ বিদ্যালয়সমূহ পূৰ্বৰ সময় অনুসৰি খোলা হ'ব বুলি জাননী জাৰি কৰা হৈছে।

০০০০

যোৱা নিশাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যখনৰ বিভিন্ন অঞ্চল জলমগ্ন হৈ পৰিছে। প্ৰবল বৰষুণৰ ফলত ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰ খহনীয়াই পুনৰ তীব্ৰ ৰূপ ধাৰণ কৰিছে। মাইজানত খহনীয়াৰ ফলত বহু অঞ্চল ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন গৈছে। কেইবাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ডিব্ৰুগড় নগৰৰ মাইজান ঠাকুৰবাৰী আৰু বৰশইকীয়াত ব্ৰহ্মপুত্ৰ খহনীয়াই ভয়ংকৰ ৰূপ লৈছে। খহনীয়া ৰোধৰ বাবে ব্যৱস্থা কৰিবলৈ জলসম্পদ বিভাগক স্থানীয় ৰাইজে আহ্বান জনাইছে।

০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই যৌথভাৱে আয়োজন কৰি অহা **অসম গ্ৰন্থমেলা** এইবছৰ ৰাজ্যখনৰ মুঠ ৮ টা স্থানত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় সভাকক্ষত আজি অনুষ্ঠিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই এই কথা প্ৰকাশ কৰে। সেইমৰ্মে  ২২ অক্টোবৰৰ পৰা ২৯ অক্টোবৰলৈ বঙাইগাওঁ, ১ নৱেম্বৰৰ পৰা ১০ নৱেম্বৰলৈ লখিমপুৰ, ৬ নৱেম্বৰৰ পৰা ১৭ নৱেম্বৰলৈ নলবাৰী, ১৪ নৱেম্বৰৰ পৰা ২৬ নৱেম্বৰলৈ যোৰহাট, ২৮ নৱেম্বৰৰ পৰা ৭ ডিচেম্বৰলৈ তিনিচুকীয়া, ১ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ শিলচৰ আৰু ১২ ডিচেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ মঙলদৈত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। গুৱাহাটীত এইবাৰ

হ'বলগীয়া অসম গ্ৰন্থমেলা পূৰ্বৰ বাৰ দিনৰ ঠাইত ১৪ দিনীয়াকৈ আয়োজন কৰা হ'ব। বিগত বছৰৰ দৰে গুৱাহাটীৰ খানাপাৰৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অহা ২৪ ডিচেম্বৰ ২০২৫ ৰ পৰা ৬ জানুৱাৰী ২০২৬ লৈ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব।

oooo

সমাপ্ত